অসম

ধেমাজিত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী মিচিং-সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ দুই প্ৰাৰ্থী

গোগামুখৰ টংকেশ্বৰ সোণোৱাল আৰু জোনাইৰ বিজয় শইকীয়াই প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ পাছত বিজয়ৰ প্ৰমাণপত্ৰ লাভ কৰে।

প্ৰকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ৮:০৪



(NewzNow)

ধেমাজি: সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ধেমাজি জিলাৰ গোগামুখ আৰু জোনাই পৰিষদীয় সমষ্টিৰ দুগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত গোগামুখ পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালৰ বিপৰীতে থকা প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। একেদৰে জোনাই পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী বিজয় শইকীয়াৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীগৰাকীয়েও মনোনয়ন প্ৰত্যাহাৰ কৰে।

ইয়াৰ পাছতে দুয়োগৰাকী প্ৰাৰ্থীয়ে ৰিটাৰ্নিং বিষয়া তথা জিলা আয়ুক্তৰ পৰা বিজয়ৰ প্ৰমাণপত্ৰ সংগ্ৰহ কৰে। সমৰ্থকসকলে ফটকা ফুটাই দুয়োগৰাকীকে উষ্ম আদৰণি জনায়।

আগন্তুক ৩০ নৱেম্বৰত দুখন স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

> প্রতীকবিহীন এই নির্বাচনত এন ডি এৰ তৃণমূল পর্যায়ৰ কর্মকর্তাসকলৰ সঁহাৰি, জাতীয় সংগঠনৰ সমর্থন, ৰাইজৰ আস্থা-বিশ্বাস আৰু চৰকাৰৰ বিকাশৰ অনিৰুদ্ধ যাত্রাৰ বাবেই এই বিজয় নিশ্চিত হৈছে বুলি দুয়োগৰাকী প্রার্থীয়ে মন্তব্য কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3651/dhemaji-sonoal-kchaee-pishd-bina-ptidwndwita